1. তলৰ কোন দুখন কাব্য শংকৰদেৱৰ ৰচনা ?

I. ভক্তি প্ৰদীপ

II. ভক্তি ৰত্নাৱলী

III. ভক্তি ৰত্নাকৰ

IV. নাম-মালিকা

(A) I. আৰু II.

(B) I. আৰু III.

(C) II. আৰু III.

(D) II. আৰু IV.

2. 'ঊষা-পৰিণয়' কাব্য কাৰ ৰচনা ?

(A) অনন্ত কন্দলী

(B) ৰামসৰস্বতী

(C) পীতাম্বৰ কবি

(D) ৰত্নাকৰ কন্দলী

3. 'সঙ্গীত দামোদৰ' কাৰ ৰচনা ?

(A) শুভঙ্কৰ কবি

(B) ৰুদ্ৰসিংহ

(C) ৰামমিশ্ৰ

(D) মথুৰাদাস বুঢ়া আতা

4. কবিৰাজ চক্ৰৱৰ্তীয়ে কাৰ নিৰ্দেশত 'গীত-গোবিন্দ'ৰ পদ অসমীয়ালৈ ভাঙনি কৰিছিল ?

(A) ৰুদ্ৰসিংহ

(B) শিৱসিংহ

(C) জয়ধ্বজ সিংহ

(D) পুৰন্দৰ সিংহ

5. তলৰ কোনখন বুৰঞ্জী পদ্যৰ আকাৰত ৰচিত ?

(A) বাঁহগৰীয়া অসম বুৰঞ্জী

(B) সাতসৰী অসম বুৰঞ্জী

(C) পুৰণি অসম বুৰঞ্জী

(D) বেলিমাৰ বুৰঞ্জী

6. 'চিন্তা-তৰঙ্গিণী' আৰু 'চিন্তানল' গ্ৰন্থৰ ৰচক দুগৰাকী হৈছে, একাদিক্ৰমে

(A) কমলাকান্ত ভট্টাচাৰ্য আৰু ভোলানাথ দাস

(B) বলদেৱ মহন্ত আৰু ভোলানাথ দাস

(C) ভোলানাথ দাস আৰু কমলাকান্ত ভট্টাচাৰ্য

(D) বলদেৱ মহন্ত আৰু লম্বোদৰ বৰা

7. তলৰ কোনখন আলোচনী 'অসম ছাত্ৰ সন্মিলন'ৰ মুখপত্ৰ আছিল ?

(A) আলোচনী

(B) সাধনা

(C) মিলন

(D) আসাম হিতৈষী

8. 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদক হৈছে

(A) নগেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

(B) দীননাথ শৰ্মা

(C) অম্বিকাগিৰী ৰায়চৌধুৰী

(D) শৰৎচন্দ্ৰ গোস্বামী



Scanned by CamScanner

9. 'ৰমণ্যাসবাদ' গ্ৰন্থখনৰ প্ৰণেতা কোন?

(A) উপেন্দ্ৰ বৰকটকী

(B) মহেন্দ্ৰ বৰা

(C) হীৰেন গোহাঁই

(D) ত্ৰৈলোক্যনাথ গোস্বামী

10. তলৰ কোন দুখন আলোচনী সম্পাদনাৰ সৈতে ৰঘুনাথ চৌধাৰী জড়িত আছিল?

(A) মইনা আৰু জয়ন্তী

(B) জয়ন্তী আৰু ৰামধেনু

(C) মইনা আৰু অৰুণ

(D) সুৰভি আৰু ৰামধেনু

11. তলৰ কোনখন গ্ৰন্থ অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত প্ৰথম প্ৰচেষ্টা হিচাপে গণ্য কৰা হয়?

(A) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

(B) অসমীয়া সাহিত্যৰ ৰূপৰেখা

(C) নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী

(D) অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী

12. "বগাকৈ বগলী বহলাই বহিছে
বলুকাত বিয়লি বেলা
বকুল বাগৰিছে ববছা বনতে
বুটলি বিলাওঁগৈ ব'লা।"

ইয়াত কি অলংকাৰ ফুটি ওলাইছে?

(A) মালোপমা

(B) ছেকানুপ্ৰাস

(C) বৃত্তানুপ্ৰাস

(D) উপমেয়োপমা

13. 'পয়েটিক্স' নামৰ গ্ৰন্থখনি কাৰ ৰচনা?

(A) এৰিষ্টটল

(B) প্লেটো

(C) হোৰেছ

(D) লনজাইনাছ

14. ৰৌদ্ৰ ৰসৰ স্থায়ীভাৱ হৈছে

(A) বীৰ

(B) ভয়

(C) ক্ৰোধ

(D) জুগুপ্সা

15. ধ্বনিবাদৰ প্ৰধান আচাৰ্য হৈছে

(A) আনন্দবৰ্ধন

(B) বামন

(C) কুন্তক

(D) ভামহ

16. উপমা এবিধ

(A) সাদৃশ্যগৰ্ভ অলংকাৰ

(B) ন্যায়মূলক অলংকাৰ

(C) শব্দালংকাৰ

(D) বিৰোধমূলক অলংকাৰ



Scanned by CamScanner

17. তলৰ কোন দুখন কাব্যগ্ৰন্থ নৱকান্ত বৰুৱাই ৰচনা কৰা?

(A) এটি দুটি এঘাৰটি তৰা আৰু কপৰ টিলিঙাৰ মাত

(B) হৈমন্তী আৰু এই নদীয়েদি

(C) জাতিস্মৰ আৰু কোনোবা এটা শীতৰ বগা সন্ধিয়াত

(D) মোৰ আৰু পৃথিৱীৰ আৰু হে অৰণ্য হে মহানগৰ

18. "টোপনিতো তেওঁ মোক খেদি ফুৰিছিল তেওঁ বাৰু এতিয়া ক'ত আছে?" পংক্তিকেইটি কাৰ ৰচনা?

(A) নীলমণি ফুকন

(B) হৰি বৰকাকতি

(C) নৱকান্ত বৰুৱা

(D) হীৰেন ভট্টাচাৰ্য

19. আহোম যুগৰ মন্দিৰবিলাক মূলতঃ কি শৈলীৰ?

(A) বেসৰ

(B) নাগৰ

(C) মোগল

(D) মংগোলীয়

20. 'পয়চাংকেন' উৎসৱ কোন ধৰ্মৰ সৈতে জড়িত?

(A) হিন্দু

(B) শৈৱ

(C) বৌদ্ধ

(D) শাক্ত

21. 'আলি-আই-লৃগাং' উৎসৱ কিহৰ সৈতে জড়িত?

(A) খেতি চপোৱা

(B) মংগল কামনা

(C) শস্যৰ গুটি সিঁচা

(D) আমোদ-প্ৰমোদ

22. তলৰ কোন দুখন আলোচনী সম্পাদনাৰ সৈতে চন্দ্ৰপ্ৰসাদ শইকীয়া জড়িত আছিল?

(A) প্ৰান্তিক আৰু প্ৰকাশ

(B) প্ৰান্তিক আৰু গৰীয়সী

(C) গৰীয়সী আৰু সাতসৰী

(D) প্ৰকাশ আৰু গৰীয়সী

23. একাদিক্ৰমে সজালে তলৰ কোনটো ক্ৰম শুদ্ধ?

(A) অৰুণোদই যুগ, জোনাকী যুগ, আৱাহন যুগ, ৰামধেনু যুগ

(B) অৰুণোদই যুগ, আৱাহন যুগ, জোনাকী যুগ, ৰামধেনু যুগ

(C) জোনাকী যুগ, অৰুণোদই যুগ, আৱাহন যুগ, ৰামধেনু যুগ

(D) অৰুণোদই যুগ, জোনাকী যুগ, ৰামধেনু যুগ, আৱাহন যুগ

24. 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)' (প্ৰকাশক: আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা)ৰ সম্পাদক কোন?

(A) নগেন শইকীয়া

(B) হোমেন বৰগোহাঞি

(C) শোভা ব্ৰহ্ম

(D) শিৱনাথ বৰ্মন



Scanned by CamScanner

25. সাহিত্য অকাডেমীৰ অনুবাদ বঁটা পোৱা প্ৰথম অসমীয়া লেখকজন হৈছে

(A) ৰাধিকামোহন ভাগৱতী

(B) নিৰুপমা ফুকন

(C) শুচিব্ৰতা ৰায়চৌধাৰী

(D) নৱেন্দ্ৰনাথ শৰ্মা

26. মাইলছ ব্ৰন্সনৰ অসমীয়া অভিধানখনৰ নাম হৈছে

(A) ইংৰাজি-অসমিয়া অভিধান

(B) অচমিয়া-ইংৰাজি অভিধান

(C) চন্দ্ৰকান্ত অভিধান

(D) হেমকোষ

27. মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ 'দ্বিতীয় সোণালী যুগ' বুলি অভিহিত কৰা যুগটো হৈছে

(A) শংকৰী যুগ

(B) বেজবৰুৱা যুগ

(C) বিস্তাৰ যুগ

(D) জোনাকী যুগ

28. 'বিশ্বসাহিত্য' এই পৰিভাষাৰ প্ৰৱৰ্তকজন হৈছে

(A) ৰবীন্দ্ৰনাথ ঠাকুৰ

(B) গ্যেটে

(C) পছনেট

(D) মেথিউ আৰ্নল্ড

29. 'হাইদাং' গীত কোনটো জনগোষ্ঠীৰ সৈতে জড়িত?

(A) নগা জনগোষ্ঠী

(B) কছাৰী জনগোষ্ঠী

(C) গাৰো জনগোষ্ঠী

(D) কাৰ্বি জনগোষ্ঠী

30. "কবিচন্ত পদ তেন্তে দশম স্কন্ধৰ"....

দশম স্কন্ধৰ পদ কৰা কবিজনাক মহাপুৰুষ শংকৰদেৱে তামসিক কবি বুলিছিল। সেই তামসিক কবিজনাৰ প্ৰকৃত নাম হৈছে

(A) অনন্ত কন্দলী

(B) পীতাম্বৰ কবি

(C) ৰামসৰস্বতী

(D) ৰত্ন কন্দলী

31. 'বৌদ্ধ গান ও দোহা'সমূহ কোন পন্থাৰ ধৰ্মসাধনৰ গীত?

(A) বজ্ৰযান

(B) হীনযান

(C) মহাযান

(D) সহজযান

32. "ঠাট প্ৰকট পটু কৌটি কৌটি কপি
গিৰি গৰ গৰ পদ ঘাৱে।"

উক্ত পদফাঁকিত কোনবিধ ছন্দৰীতিৰ প্ৰয়োগ ঘটিছে?

(A) যৌগিক

(B) স্বৰবৃত্ত

(C) মাত্ৰাবৃত্ত

(D) মুক্তক



Scanned by CamScanner

33. ''মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।''

উক্ত কবিতাফাঁকিত প্ৰয়োগ কৰা অলংকাৰটিৰ নাম হৈছে

(A) উপমা

(B) অতিশয়োক্তি

(C) ৰূপক

(D) ব্যতিৰেক

34. উমাচল শিলালিপিত কোনগৰাকী ৰজাৰ নাম পোৱা যায়?

(A) ভাস্কৰবৰ্মা

(B) সুৰেন্দ্ৰবৰ্মা

(C) ধৰ্মপাল

(D) বনমালবৰ্মা

35. তলৰ কোনখন নাটক পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা নহয়?

(A) লিটিকাই

(B) টেটোন তামুলী

(C) সাধনী

(D) ভূত নে ভ্ৰম

36. 'Linguistic' অভিধাটো প্ৰথম কোনে ব্যৱহাৰ কৰিছিল?

(A) ব্লুমফিল্ড

(B) ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰ

(C) আটোৱান মেইয়েই

(D) উইলিয়াম জোনচ

37. ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক হৈছে

(A) আকৃতি

(B) প্ৰাকৃতি

(C) উপাকৃতি

(D) সৰ্গ

38. তলৰ কোনটো শব্দসাধন ৰূপ বা সৰ্গৰ উদাহৰণ?

(A) -নী

(B) -বোৰ

(C) -জনী

(D) -আল

39. ''খেতিয়কজনলৈ ভাত আনিছোঁ''—এই বাক্যটিত ব্যৱহৃত 'খেতিয়কজনলৈ' পদটিত কেইটা আকৃতি বা ৰূপ পোৱা যাব?

(A) তিনিটা

(B) চাৰিটা

(C) পাঁচোটা

(D) ছটা

40. ''তোমাৰ দেউতাৰা আহিছে''—এই বাক্যটিত 'দেউতাৰা'ৰ লগত যোগ হোৱা '-ৰা' সৰ্গটিৰ নাম কি?

(A) পুৰুষসূচক বিভক্তি

(B) পুৰুষ নিৰ্দেশক সৰ্গ

(C) নিৰ্দেশাত্মক সৰ্গ

(D) বিশেষ্যবাচক সৰ্গ



Scanned by CamScanner

41. ''ভীমে বকাসুৰক ভূকুৰালে''—এই বাক্যটিৰ 'ভূকুৰালে' ক্ৰিয়া পদটিক কি বুলি কোৱা হয়?

(A) পাঁচনী ক্ৰিয়া

(B) নিমিত্তাৰ্থক ক্ৰিয়া

(C) সকৰ্মক ক্ৰিয়া

(D) নামধাতুযুক্ত ক্ৰিয়া

42. 'ৰীতিৰাত্মা কাব্যস্য'—এই উক্তিটিৰ বক্তা হ'ল

(A) বামন

(B) ভামহ

(C) বিশ্বনাথ

(D) দণ্ডী

43. খাৱন, শোৱন, ভোজন আদি শব্দৰ লগত সংযোগ হোৱা -অন প্ৰত্যয়টিক বোলা হয়

(A) তদ্ধিত প্ৰত্যয়

(B) নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(C) কৃৎ প্ৰত্যয়

(D) পৰ প্ৰত্যয়

44. *Poetry is Metrical Composition*—এই কবিতাৰ সংজ্ঞাটি দাঙি ধৰা সমালোচকজনৰ নাম হৈছে

(A) ৱৰ্ডছৱৰ্থ

(B) মেথিউ আৰ্নল্ড

(C) শ্বেলী

(D) জনছন্

45. 'নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থৰ ৰচক হ'ল

(A) বীৰেন বৰকটকী

(B) তীৰ্থনাথ শৰ্মা

(C) ত্ৰৈলোক্যনাথ গোস্বামী

(D) মনোৰঞ্জন শাস্ত্ৰী

46. মেজাংকৰি হ'ল

(A) এবিধ বাদ্য

(B) এবিধ অলংকাৰ

(C) এবিধ বস্ত্ৰ

(D) এবিধ প্ৰসাধন সামগ্ৰী

47. ''মোৰ বাবে ময়ে বওঁ নতুন দেহৰ নতুন কাপোৰ মোৰ ক্ৰান্তিপথ নাই তথাপিতো সনাতন তীৰ্থযাত্ৰী মই''

উক্ত কবিতাফাঁকিৰ কবিজনৰ নাম হ'ল

(A) মহেন্দ্ৰ বৰা

(B) হীৰেন ভট্টাচাৰ্য

(C) ৰঘুনাথ চৌধাৰী

(D) নৱকান্ত বৰুৱা

48. বামুণীয়া, গড়গঞা, কাইথেলী আৰু লহকৰী ম[illegible] এই চাৰিটা প্ৰকাৰভেদ পোৱা অসমীয়া লিপিৰ তলৰ কোনটো লিপিৰ পৰা হৈছিল বুলি কোৱা [illegible]

(A) গুপ্ত

(B) নাগৰী

(C) শাৰদা

(D) খৰোষ্ঠী



Scanned by CamScanner

49. অৰুণাচল প্ৰদেশ আৰু অসমত প্ৰচলিত তিব্বত-বৰ্মী-মূলীয় ভাষাটো হৈছে

(A) তিৱা

(B) খামতি

(C) আইতন

(D) মিচিং

50. প্ৰোষিতভৰ্তৃকা নাৰীৰ বিৰহৰ বৰ্ণনা সন্নিৱিষ্ট লোকগীত হৈছে

(A) জয়মতী কুঁৱৰীৰ গীত

(B) কমলা কুঁৱৰীৰ গীত

(C) জনা গাভৰুৰ গীত

(D) বাৰমাহী গীত

51. একাধাৰে ঔপন্যাসিক আৰু নাট্যকাৰ হৈছে

(A) বিৰিঞ্চি কুমাৰ বৰুৱা

(B) অতুলানন্দ গোস্বামী

(C) অৰুণ শৰ্মা

(D) আলি হাইদৰ

52. বিৰিঞ্চি কুমাৰ বৰুৱাই লিখা দুখন গ্ৰন্থৰ থূল হৈছে

I. অসমৰ সংস্কৃতি

II. অসমৰ লোক-সংস্কৃতি

III. অসমৰ লোক-সংস্কৃতিৰ আভাস

IV. অসমীয়া ভাষা আৰু সংস্কৃতি

(A) II. আৰু IV.

(B) I. আৰু III.

(C) I. আৰু IV.

(D) II. আৰু III.

53. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) সুনীতিকুমাৰ চেটাৰ্জী | 1. *Assamese, Its Formation and Development* |
| (b) উপেন্দ্ৰনাথ গোস্বামী | 2. *The Origin and Development of the Bengali Language* |
| (c) বাণীকান্ত কাকতি | 3. *A Study on the Kamrupi, A Dialect of Assamese* |
| (d) দেবানন্দ ভৰালি | 4. *A Study of Phonology and Vocabulary of the Assamese Language* |

*Codes* :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 3 | 4 | 1 | 2 |
| (B) | 2 | 3 | 1 | 4 |
| (C) | 1 | 2 | 3 | 4 |
| (D) | 2 | 4 | 1 | 3 |



Scanned by CamScanner

54. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) সাহিত্য উপক্ৰমণিকা | 1. বীৰেন বৰকটকী |
| (b) সাহিত্য আৰু চেতনা | 2. তীৰ্থনাথ শৰ্মা |
| (c) সাহিত্যৰ পটভূমি | 3. হীৰেন গোহাঁই |
| (d) সাহিত্য বিদ্যা পৰিক্ৰমা | 4. মহেন্দ্ৰ বৰা |

*Codes :*

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 2 | 1 | 3 | 4 |
| (C) | 4 | 3 | 1 | 2 |
| (D) | 3 | 4 | 1 | 2 |

55. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) পালি | 1. প্ৰাচীন ভাৰতীয় আৰ্য ভাষা |
| (b) সংস্কৃত | 2. নব্য ভাৰতীয় আৰ্য ভাষা |
| (c) অসমীয়া | 3. মধ্য ভাৰতীয় আৰ্য ভাষা |
| (d) মহাৰাষ্ট্ৰী প্ৰাকৃত | 4. আদি প্ৰাকৃত |

*Codes :*

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 3 | 4 | 1 | 2 |
| (B) | 1 | 2 | 4 | 3 |
| (C) | 4 | 1 | 2 | 3 |
| (D) | 4 | 2 | 3 | 1 |

56. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) বীণ ব'ৰাগী | 1. নলিনীবালা দেৱী |
| (b) মোৰ আৰু পৃথিৱীৰ | 2. কৰবী ডেকা হাজৰিকা |
| (c) অলকানন্দা | 3. নৱকান্ত বৰুৱা |
| (d) মাটিৰ পৰা মেঘলৈ | 4. চন্দ্ৰকুমাৰ আগৰৱালা |

*Codes :*

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 2 | 3 | 1 | 4 |
| (B) | 1 | 2 | 3 | 4 |
| (C) | 4 | 3 | 1 | 2 |
| (D) | 4 | 2 | 3 | 1 |

57. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) কানাই বৰশী বোৱা শিলালিপি | 1. পঞ্চম শতিকা |
| (b) ভাস্কৰবৰ্মাৰ ডুবি শাসন | 2. ত্ৰয়োদশ শতিকা |
| (c) উমাচল শিলালিপি | 3. সপ্তম শতিকা |
| (d) বনমালবৰ্মাদেৱৰ পৰ্বতীয়া তাম্ৰশাসন | 4. নৱম শতিকা |

*Codes :*

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 4 | 2 | 3 | 1 |
| (C) | 1 | 4 | 3 | 2 |
| (D) | 2 | 3 | 1 | 4 |



Scanned by CamScanner

58. শংকৰদেৱৰ ৰচনাৱলীত ব্যৱহৃত ভাষাকেইটা হৈছে

(A) প্ৰাচীন অসমীয়া, প্ৰত্ন অসমীয়া, সংস্কৃত

(B) প্ৰাচীন অসমীয়া, ব্ৰজাৱলী, সংস্কৃত

(C) প্ৰাচীন অসমীয়া, মধ্য যুগৰ অসমীয়া, সংস্কৃত

(D) প্ৰত্ন অসমীয়া, প্ৰাচীন অসমীয়া, ব্ৰজাৱলী

59. নিম্নলিখিত কোনখন পুথি মাধৱদেৱৰ ৰচিত বা অনূদিত নহয়?

(A) ভক্তি-ৰত্নাৱলী

(B) ভক্তি-ৰত্নাকৰ

(C) জন্ম-ৰহস্য

(D) ৰাজসূয়

60. নিম্নলিখিত কোনগৰাকী কবি পাঁচালী কবি নহয়?

(A) পীতাম্বৰ

(B) চণ্ডীবৰ

(C) দুৰ্গাবৰ

(D) মনকৰ

61. হেম বৰুৱাৰ 'সাগৰ দেখিছা' কোন শ্ৰেণীৰ সাহিত্য?

(A) ৰম্য ৰচনা

(B) ভ্ৰমণ সাহিত্য

(C) কবিতা

(D) সমালোচনা সাহিত্য

62. নিম্নলিখিত পংক্তিকেইটা ক'ৰপৰা তুলি দিয়া হৈছে?

''ময়না ঘৰোৱা ভাটো চুটিয়া শালিকা।
মনুষ্যৰ ৰাৱ কাঢ়ে সকলে কালিকা॥
কতো কতো কান্তাপুৰে ৰড়ে ঢোঙা-কাক।
সম্যাকে ভাষৱে যেন মনুষ্যৰ বাক॥''

(A) মাধৱ কন্দলিৰ 'সুন্দৰাকাণ্ড'

(B) ঊষা-পৰিণয়

(C) মৃগাৱতী চৰিত্ৰ

(D) শ্ৰীকৃষ্ণকীৰ্তন

63. শংকৰদেৱৰ 'গুণমালা' পুথিত ব্যৱহৃত ছন্দটোৰ নাম হৈছে

(A) পদ

(B) হংসমালা

(C) কুসুমমালা

(D) দুলড়ী

64. সুকুমাৰ বৰকাথ বিৰচিত 'হস্তীবিদ্যাৰ্ণৱ' হৈছে

(A) চৰিত পুথি

(B) বুৰঞ্জী পুথি

(C) ব্যৱহাৰিক জ্ঞানৰ পুথি

(D) ধৰ্মপুথি

65. অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কীয় বাণীকান্ত কাকতিৰ আলোচনাত স্থান পাইছে

(A) চতুৰ্দশ শতিকাৰ পৰা মিছনেৰীসকলৰ সাহিত্যলৈকে

(B) চৰ্যাপদৰ পৰা জোনাকী যুগলৈকে

(C) কামৰূপীয় লেখাৱলীৰ পৰা বৰ্তমান সময়লৈকে

(D) চতুৰ্দশ শতিকাৰ পৰা হেমচন্দ্ৰ-গুণাভিৰামৰ সময়লৈকে



Scanned by CamScanner

66. তলত দিয়া প্রশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) উচ্চাৰিত একাধিক সদৃশ ধ্বনিৰ একোটা বিশিষ্ট গোট | 1. বৰ্ণ |
| (b) উচ্চাৰিত ধ্বনিৰ দৃশ্যমান প্ৰতীক চিহ্ন | 2. বাগ্ ধ্বনি |
| (c) অবিশিষ্ট ধ্বনি | 3. আখৰ |
| (d) বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনি | 4. উপধ্বনি |

*Codes* :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 1 | 3 | 2 | 4 |
| (B) | 1 | 3 | 4 | 2 |
| (C) | 2 | 3 | 1 | 4 |
| (D) | 4 | 1 | 2 | 3 |

67. কালিৰাম মেধি নিম্নলিখিত কোনখন গ্ৰন্থৰ প্ৰণেতা ?

(A) অসমীয়া ভাষাৰ ব্যাকৰণ

(B) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(C) অসমীয়া ব্যাকৰণ

(D) অসমীয়া ল'ৰাৰ ব্যাকৰণ

68. অশোকৰ অনুশাসনৰ ঔপভাষিক ৰূপবোৰ হৈছে

(A) আঞ্চলিক

(B) নৃগোষ্ঠীয়

(C) জাতিগত

(D) সামাজিক

69. 'ধম্মপদ'ৰ ভাষা হৈছে

(A) বৌদ্ধ সংস্কৃত

(B) সংস্কৃত

(C) পালি

(D) অৰ্দ্ধমাগধী

70. অসমীয়া ভাষাত /ম/ বৰ্ণটো ধ্বনিগতভাৱে

(A) অনুনাসিক তালব্য বৰ্ণ

(B) নাসিক্য ঔষ্ঠ্য বৰ্ণ

(C) নাসিক্য কণ্ঠ্য বৰ্ণ

(D) পশ্চতালব্য দ্বৌষ্ঠ্য বৰ্ণ

71. তলৰ কোনটো ৰূপ ব্যাকৰণগতভাৱে শুদ্ধ **নহয়** ?

(A) সততা

(B) আন্তৰিকতা

(C) বৈচিত্ৰ্যতা

(D) মমতা

72. ৰ'দ-ঘাই শব্দৰ অৰ্থ হৈছে

(A) ভালকৈ ৰ'দ পৰা

(B) বেলি

(C) বৰষুণ নিদিয়া

(D) চোকা ৰ'দ

73. ভৰ্তৃহৰি বিৰচিত 'নীতিশতক'ৰ ভাষা হৈছে

(A) বৌদ্ধ সংস্কৃত

(B) সংস্কৃত

(C) পালি

(D) অপভ্ৰংশ

Scanned by CamScanner

74. হেমচন্দ্ৰ বৰুৱা বিৰচিত 'কানীয়া-কীৰ্ত্তন' কোন শ্ৰেণীৰ পুথি ?

(A) কীৰ্তন পুথি

(B) নাটক

(C) উপন্যাস

(D) কাব্য

75. জনজাতীয় জীৱনভিত্তিক প্ৰথম অসমীয়া উপন্যাসখনৰ ৰচয়িতাজন হ'ল

(A) লক্ষ্মীনাথ বেজবৰুৱা

(B) লুম্মেৰ দাই

(C) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

(D) ৰজনীকান্ত বৰদলৈ

76. অংকীয়া নাটৰ সামৰণিত ব্যৱহাৰ কৰা ভটিমাবিধ হৈছে

(A) নান্দী ভটিমা

(B) অথ ভটিমা

(C) মুক্তিমংগল ভটিমা

(D) ৰাজ ভটিমা

77. নিম্নলিখিত কোনটো অনুষ্ঠান লোকপৰিবেশ্য-কলাকেন্দ্ৰিক অনুষ্ঠান নহয় ?

(A) ভাৱীগান

(B) কুশান গান

(C) পালা

(D) ভঠেলী

78. 'অভিজ্ঞান-শকুন্তলম্' নাটৰ চতুৰ্থ অংকত সোঁ-শৰীৰে অনুপস্থিত চৰিত্ৰ দুটা হ'ল

(A) কণ্ব, গৌতমী

(B) দুষ্যন্ত, দুৰ্বাসা

(C) অনসূয়া, প্ৰিয়ম্বদা

(D) শকুন্তলা, ভৰত

79. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) কৃপাবৰ বৰুৱা | 1. সমালোচনা সাহিত্য |
| (b) আলি হাইদৰ | 2. ব্যঙ্গ ৰচনা |
| (c) হীৰেন গোহাঁই | 3. অনাতাঁৰ নাট |
| (d) ধীৰেন্দ্ৰনাথ দত্ত | 4. প্ৰগতিবাদী কবিতা |

*Codes* :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 1 | 3 | 4 | 2 |
| (C) | 2 | 3 | 1 | 4 |
| (D) | 4 | 1 | 2 | 3 |

80. "ভিন ভিন ভাষাত প্ৰকাশ পালেও ভাৰতীয় সাহিত্য একক আৰু অখণ্ড" বুলি কোৱা ব্যক্তিজন কোন ?

(A) সুনীতিকুমাৰ চেটাৰ্জী

(B) সৰোজিনী নাইডু

(C) সৰ্বেপল্লী ৰাধাকৃষ্ণণ

(D) ৰবীন্দ্ৰনাথ ঠাকুৰ

81. 'বাৰেচহৰীয়া ভাওনা' অনুষ্ঠিত হোৱা ঠাইখনৰ নাম হৈছে

(A) বৰপেটা

(B) জামুগুৰিহাট

(C) বৰদোৱা

(D) মাজুলী

82. অসমীয়া ভাষাৰ নৃগোষ্ঠীয় উপভাষাটো চিহ্নিত কৰা।

(A) নাগামিজ

(B) দেউৰী

(C) টাই-আহোম

(D) দেউৰী-অসমীয়া



Scanned by CamScanner

83. অসমীয়া ভাষাত '-এ'ৰ ব্যৱহাৰ হয়

(A) প্ৰথমা, তৃতীয়া, পঞ্চমী বিভক্তিৰ চিনৰূপে

(B) প্ৰথমা, তৃতীয়া, সপ্তমী বিভক্তিৰ চিনৰূপে

(C) প্ৰথমা, দ্বিতীয়া, পঞ্চমী বিভক্তিৰ চিনৰূপে

(D) প্ৰথমা, চতুৰ্থী, পঞ্চমী বিভক্তিৰ চিনৰূপে

84. তলত দিয়া প্ৰশ্নকেইটাৰ 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভৰ বিষয় মিলাই (a), (b), (c), (d) বিকল্পৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱা :

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ঘনশ্যাম দ'ল | 1. গোলাঘাট |
| (b) নেঘেৰিটিঙৰ শিৱ দৌল | 2. তেজপুৰ |
| (c) দ পৰ্বতীয়া | 3. কামৰূপ |
| (d) নৱগ্ৰহ দেৱালয় | 4. শিৱসাগৰ |

*Codes* :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 1 | 3 | 4 | 2 |
| (C) | 2 | 1 | 4 | 3 |
| (D) | 4 | 1 | 2 | 3 |

85. অসমৰ আহোমসকল প্ৰজাতিগতভাৱে

(A) শ্যাম-চীনীয়

(B) মংগোলীয়

(C) চীন-তিব্বতীয়

(D) ককেছীয়

86. কাইথেলী লিপি ঘাইকৈ

(A) ব্ৰাহ্মণৰ মাজত প্ৰচলিত

(B) কায়স্থসকলৰ মাজত প্ৰচলিত

(C) আহোমসকলৰ মাজত প্ৰচলিত

(D) দ্ৰাবিড়ভাষীৰ মাজত প্ৰচলিত

87. অসমীয়া ভাষাত অনূদিত প্ৰথমখন মুদ্ৰিত গ্ৰন্থৰ অনুবাদকজন হৈছে

(A) নাথান ব্ৰাউন

(B) আত্মাৰাম শৰ্মা

(C) এ. কে. গাৰ্নি

(D) মাধৱ কন্দলী

88. অসমীয়া সাহিত্যত অনুবাদ-পৰম্পৰাৰ আৰম্ভ হয়

(A) জোনাকী যুগত

(B) অৰুণোদই যুগত

(C) প্ৰাক্-শংকৰী যুগত

(D) শংকৰী যুগত

89. গণমাধ্যম হৈছে

(A) গণসংযোগৰ সুবিধা সৃষ্টিকাৰী আহিলা

(B) ৰাজহুৱা নব্য মাধ্যম

(C) পৰম্পৰাগত দৃশ্য-শ্ৰব্য মাধ্যম

(D) বিদ্যুতীয় ছপা মাধ্যম

90. বিজ্ঞাপন হৈছে

(A) এক প্ৰকাৰৰ গণসংযোগ

(B) ৰাজহুৱা নব্য মাধ্যম

(C) গণসংযোগৰ সুবিধা সৃষ্টিকাৰী আহিলা

(D) বিদ্যুতীয় ছপা মাধ্যম



Scanned by CamScanner

91. ব্যৱহাৰৰ প্ৰাচীনতা অনুসৰি গণমাধ্যমৰ শুদ্ধ কালানুক্ৰমিক সজ্জাটো হৈছে

(A) ছপা মাধ্যম, নব্য মাধ্যম, দৃশ্য-শ্ৰব্য মাধ্যম, শ্ৰব্য মাধ্যম

(B) দৃশ্য-শ্ৰব্য মাধ্যম, শ্ৰব্য মাধ্যম, ছপা মাধ্যম, নব্য মাধ্যম

(C) ছপা মাধ্যম, শ্ৰব্য মাধ্যম, দৃশ্য-শ্ৰব্য মাধ্যম, নব্য মাধ্যম

(D) ছপা মাধ্যম, শ্ৰব্য মাধ্যম, নব্য মাধ্যম, দৃশ্য-শ্ৰব্য মাধ্যম

92. নিম্নলিখিত কোনজন ব্যক্তি 'গৰীয়সী' আলোচনীৰ সম্পাদনাৰ লগত এতিয়ালৈকে জড়িত নহয়?

(A) নগেন শইকীয়া

(B) লক্ষ্মীনন্দন বৰা

(C) চন্দ্ৰপ্ৰসাদ শইকীয়া

(D) হৰেকৃষ্ণ ডেকা

93. "অ' মোৰ আপোনাৰ দেশ" ইয়াত 'আপোনাৰ' শব্দৰ অৰ্থ

(A) আপোন মানুহৰ

(B) মোৰ বা তেওঁৰ নহয়

(C) তেখেতৰ

(D) নিজৰ

94. অসমীয়া লোক-সংস্কৃতিত বাঁহৰ ব্যৱহাৰ

(A) মংগোলীয়মূলীয়

(B) অষ্ট্ৰিকমূলীয়

(C) আৰ্যমূলীয়

(D) দ্ৰাবিড়মূলীয়

95. 'গাহা সত্তসঈ' কি ভাষাত ৰচিত?

(A) মাগধী প্ৰাকৃত

(B) মহাৰাষ্ট্ৰী প্ৰাকৃত

(C) শৌৰসেনী প্ৰাকৃত

(D) পৈশাচী প্ৰাকৃত

96. নিম্নলিখিত কোনজন ব্যক্তি ব্যাকৰণ আৰু অভিধানৰ প্ৰণেতা?

(A) সত্যনাথ বৰা

(B) মাইলছ ব্ৰন্সন

(C) হেমচন্দ্ৰ বৰুৱা

(D) গোলোকচন্দ্ৰ গোস্বামী

97. লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতি' গল্প প্ৰকাশ পাইছিল

(A) 'জোনাকী' আলোচনীত

(B) 'আসাম বন্ধু'ত

(C) 'প্ৰান্তিক'ত

(D) 'বাঁহী'ত

98. তলত দিয়া কোনখন নাটক অৰুণ শৰ্মাই ৰচনা কৰা নহয়?

(A) স্থাৱৰ

(B) পুৰুষ

(C) কুকুৰনেচীয়া মানুহ

(D) শতাব্দী

99. সৌৰভ কুমাৰ চলিহাই ৰচনা কৰা গল্পটো হ'ল

(A) দুপৰীয়া

(B) শৃংখল

(C) তৰংগ

(D) এন্দুৰ

100. ৰজনীকান্ত বৰদলৈয়ে কোনখন উপন্যাস টেনিচনৰ কবিতাৰ আধাৰত ৰচনা কৰিছে?

(A) মনোমতী

(B) মিৰি-জীয়ৰী

(C) নিৰ্মল ভকত

(D) ৰহদৈ লিগিৰী



Scanned by CamScanner